৫) গোস্বামী, গোলোকচন্দ্র (২০০৩); *অসমীয়া ব্যাকৰণৰ প্ৰৱেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) দেৱী, প্ৰণীতা (২০১৪); *ভাষাবিজ্ঞানৰ জিলিকনি;* গুৱাহাটী ঃ প্ৰতিশ্ৰুতি প্ৰকাশন।

৭) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৮) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৯) পাদুন, নাহেন্দ্ৰ (সম্পাঃ)(১৯৯৩); *ভাষাৰ তত্ত্বকথা;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১০) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১১) ভৱালী, দেবানন্দ (১৯৯৩); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৩) শইকীয়া বৰা, লীলাৱতী আৰু পাটগিৰি, দীপ্তি ফুকন (২০০২)(সম্পা.); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ

১৪) Chomsky, N. (1965). *Aspects of the Theory of Syntax.* Cambridge Mass.: MIT

১৫) Chomsky, N. (2002). *Syntactic Structure.* Barlin: Walter de Gruyter GmbH & Co. KG.

১৬) Kakati, B. (2007). *Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

১৭) Robins, R.H. (1989). General Linguistics. London: Routledge.

১২.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ Charles Kay Ogden (C.K. Ogden) আৰু Ivor Armstrong Richards (I.A. Richards) নামৰ পণ্ডিত দুগৰাকীয়ে তেওঁলোকৰদ্বাৰা ৰচিত *The Meaning of Meaning* নামৰ গ্ৰন্থত বিভিন্ন দৃষ্টিকোণৰ ওপৰত ভিত্তি কৰি অর্থ শব্দৰ বাইশটা অর্থৰ কথা উল্লেখ কৰিছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বক্তাই উচ্চাৰণ কৰা শব্দ বা বাক্যবোৰে সূচনা কৰা অভিধেয় অর্থৰ উপৰি কেতিয়াবা তাৰ লক্ষণা গুণৰ বাবে শ্ৰোতাৰ মনলৈ অন্য এটা ভাব আনি দিয়ে; তেনে অর্থকে লক্ষ্যার্থ বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো শব্দৰ অর্থৰ ক্ষেত্ৰ সীমিত হোৱা অর্থাৎ ব্যাপক অর্থ প্ৰকাশ কৰা কোনো শব্দই সময়ৰ লগে লগে তাৰ সীমিত অর্থ প্ৰকাশ কৰাই হৈছে অর্থসংকোচ।

৪ নং প্রশ্নৰ উত্তৰ ঃ অর্থোৎকর্ষ মানে অর্থৰ উৎকর্ষ হোৱা বুজা যায়। সময় অনুসৰি কোনো শব্দৰ অর্থৰ উদ্‌গতি হৈ গৈ থাকিলে তেনে শব্দার্থক অর্থোৎকর্ষ বুলি কোৱা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভাষাত ব্যৱহৃত কিছুমান এনে শব্দ থাকে, যিবোৰ শব্দই এটাতকৈ অধিক অর্থ প্রকাশ কৰিব পাৰে। একোটা শব্দই এনেদৰে ভিন্ন অর্থ প্রকাশ কৰিলে অর্থসমূহৰ মাজত স্থাপন হোৱা সম্পর্কটোক বহুধার্থ বুলি কোৱা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ অর্থতত্ত্বৰ বিজ্ঞানসন্মত আলোচনাৰ গুৰি ধৰোঁতা ভাষাবিজ্ঞানী Bierwisch Manfred-এ উল্লেখ কৰিছে যে শব্দৰ অর্থত প্রধানকৈ দুটা উপাদান নিহিত থাকে— অর্থগত উপাদান আৰু সম্পর্কগত উপাদান।



১২.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) অর্থৰ প্রকাৰসমূহ কি কি?

খ) 'উদ্দিষ্টার্থ' মানে কি?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) সংস্কৃতিৰ পৰিৱর্তনৰ ফলত পূর্বতে ব্যৱহৃত কিছুমান বস্তুৰ ব্যৱহাৰ নোহোৱা হয়, সেইবোৰ বস্তুৰ বিলুপ্তি হয় আৰু নতুন বস্তুৰ আমদানি ঘটে। ফলস্বৰূপে কেতিয়াবা তেনে শব্দসমূহৰ অর্থ সংশ্লেষ হয় নতুবা সম্পূর্ণৰূপে নোহোৱা হৈ পৰে।

খ) ভাষাত ব্যৱহৃত শব্দসমূহৰ অর্থ পৰস্পৰ নির্ভৰশীল।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাষাবিজ্ঞানৰ অধ্যয়নত অর্থতত্ত্বৰ গুৰুত্ব বিচাৰ কৰক।

প্রশ্ন ২ ঃ পৰিৱেশজনিত কাৰণত কেনেদৰে অর্থৰ পৰিৱর্তন ঘটে বুজাই লিখক।

প্রশ্ন ৩ ঃ চমুটোকা লিখক — (ক) অর্থবিস্তাৰ (খ) অর্থ সংশ্লেষ

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অর্থ পৰিৱর্তনৰ ত্রিধাৰা বুলিলে কি বুজে? প্রতিটোৰে উদাহৰণসহ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ২ ঃ ভাষাৰ অর্থগত সম্পর্ক বুলিলে কি বুজে? আলোচনা কৰক।

প্রশ্ন ৩ ঃ অর্থতত্ত্বৰ স্বৰূপ নির্ণয় কৰি অর্থ বিশ্লেষণৰ ধাৰা সম্পর্কে আলোচনা আগবঢ়াওক।

*** ***** ***